# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বৃহস্পতিবাৰ, ২০ ফেব্ৰুৱাৰী, ২০২৫

**এক্ট ইষ্ট পলিচি এফিয়াৰচ্, পৰিৱেশ আৰু বন, সংসদীয় পৰিক্ৰমা, বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **এক্ট ইষ্ট পলিচি এফিয়াৰচ্ সম্পৰ্কে।**

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ঃ

* ২১। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্ট ইষ্ট পলিচি এফিয়াৰচ্ৰ জৰিয়তে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত পোনপটীয়া যোগাযোগ ব্যৱস্থাৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) বৰ্তমান দক্ষিণ পূব এছিয়াৰ বিশেষকৈ ম্যানমাৰ, থাইলেণ্ডৰ বহু পৰ্য্যটক চৰাইদেউ জিলাৰ লগতে অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন গাঁৱলৈ তেওঁলোকৰ শিপাৰ সন্ধানত আগমন ঘটা দেখিবলৈ পোৱা গৈছে, গতিকে এই সম্পৰ্কে এক্ট ইষ্ট পলিচিৰ আওতাত চৰাইদেউত কোনো আঁচনি ৰূপায়ণ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে নেকি? সদনত জনাব।

*Subject :* School, Colleges in Char areas ad provincialization of venture colleges in Goalpara West LAC.

Shri Abdur Rashid Mandal

* 22. Will the Minister of Education Deptt. be pleased to state :

(a) How many LP School, ME School, High School, Higher Secondary (Arts), Higher Secondary (Science) School, Junior College (Arts), Junior College (Science), Degree College (Arts), Degree College (Science) are there in Char Areas of Assam? Please furnish district wise separately in details.

(b) How many students and teachers are there in LPS, MES and HS in char areas of Assan ? Is the PTR

in Schools of Char areas is equal to the rest of Assam ? If not, why ? Will Govt.. consider to rationalize the school teachers in Assam ?

(c) Is there any College in Char Areas of Goalpara District ? If not, will Govt. consider the only college in char areas of Goalpara district namely Chunari College, Chunari in Goalpara West LAC for Provincialization on need based ? If not, why? If yes, when ?

(d) Is there any proposal for induction of Science Stream in the existing provincialized West Goalpara College, Ambari as assured by the former Education Minister and the Present Hon'ble Chief Minister of Assam ? If yes, when the additional Science Stream will be inducted ?

*বিষয় ঃ* **যোৰহাট জিলাৰ ৰবৈয়া এল. পি. স্কুলত ঠিকাভিত্তিক সহকাৰী শিক্ষক নিযুক্তি সম্পৰ্কে।**

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ

* ২৩। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মহামহিম ৰাজ্যপালৰ নিৰ্দেশ মৰ্মে শিক্ষা বিভাগৰ সচিব ডাঙৰীয়াই যোৰহাট জিলাৰ অন্তৰ্গত ৰবৈয়া এল. পি. স্কুলত শ্ৰীমতী দীপিকা কোঁৱৰক ঠিকাভিত্তিত সহকাৰী শিক্ষকৰূপে ROP Benefit সহ নিযুক্তি দিবলৈ প্ৰাথমিক শিক্ষা সঞ্চালকক নিৰ্দেশ (Memo No. E-233146/236 A, Dated. 15.03.2024) দিয়াতো সত্য নে?

(খ) যদি সত্য, প্ৰায় এবছৰ ধৰি এই নিৰ্দেশ বিভাগে পালন নকৰি মহামহিম ৰাজ্যপালৰ নিৰ্দেশক অবজ্ঞা কৰাটোৱেই সূচোৱা হোৱা নাই নে?

(গ) বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এইক্ষেত্ৰত প্ৰত্যক্ষ হস্তক্ষেপেৰে উল্লেখিত নিৰ্দেশ এক নিৰ্দিষ্ট তাৰিখৰ ভিতৰত কাৰ্য্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **বুঢ়াচাপৰি অভয়াৰণ্য।**

শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

* ২৪। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ বুঢ়াচাপৰি অভয়াৰণ্যৰ পৰিসীমা কিমান? কেতিয়া আৰু কি প্ৰক্ৰিয়াৰে বুঢ়াচাপৰি অভয়াৰণ্যৰ সীমা নিৰ্ধাৰণ কৰা হৈ ছিল? (এই সম্পৰ্কীয় যাৱতীয় তথ্য দিব)।

(খ) বুঢ়াচাপৰি আৰু কোঁচমাৰা অভয়াৰণ্যৰ প্ৰকৃত সীমা উলংঘা কৰি দৰিদ্ৰ কৃষকসকলৰ হাজাৰ হাজাৰ বিঘা ভূমি অভয়াৰণ্যত অন্তৰ্ভুক্ত কৰিবলৈ চলি থকা কথাটো চৰকাৰৰ অৱগত নে? (প্ৰকৃত সীমা নিৰ্ধাৰণৰ সকলো তথ্য আৰু মেপ সদনত দাখিল কৰিব)।

(গ) সঘনাই বন বিভাগে সীমা পৰিবৰ্তন কৰি চৰ অঞ্চলৰ অধিবাসী সকলক হাৰাশাস্তি কৰাৰ কাৰণ কি?

*বিষয়ঃ* **নেপালী ভাষা বিষয়ৰ শিক্ষক নিযুক্তি কৰণ।**

শ্ৰীগনেশ কুমাৰ লিম্বু ঃ

* ২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৰ্খা জনগোষ্ঠীৰ মাতৃভাষা নেপালী ভাষা বিষয় হিচাপে বিশ্ববিদ্যালয় সমূহত অধ্যয়নৰ পৰা ছাত্ৰ-ছাত্ৰী সমূহ বঞ্চিত হৈ আছে, এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, তেন্তে কে. কে. সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ত নেপালী ভাষা বিষয় হিচাপে অধ্যয়ন কৰিবলৈ কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে? সদনৰ মজিয়াত জনাব।

(খ) নেপালী ভাষা বিষয় SLET ত অনুমোদন পোৱাৰ পাছত উপযুক্ত প্ৰাৰ্থী থকা স্বত্বেও অসমৰ মহাবিদ্যালয় সমূহত খালী হৈ থকা আৰু নতুন শিক্ষকৰ পদ সৃষ্টি নোহোৱাৰ বাবে এই বিষয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে কমি আহিছে। সেইবাবে নেপালী বিষয়ত নতুন শিক্ষক নিযুক্তি দিয়াৰ বাবে শিক্ষা বিভাগে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? সদনৰ মজিয়াত বিতংকৈ জনাব।

(গ) অসমৰ বিশ্ববিদ্যালয় সমূহক বহিঃৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি তুলিবৰ বাবে শিক্ষা বিভাগে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে? সদনৰ মজিয়াত বিতংকৈ জনাব।

*বিষয়ঃ* **আৰবী ভাষাৰ পাঠ্যক্ৰম সম্পৰ্কে।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

* ২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয় স্তৰৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈ আৰবী ভাষাৰ পাঠ্যক্ৰম চৰকাৰী বা বিভাগীয় ভাৱে বন্ধ কৰা হৈছে নেকি?

(খ) যদি হৈছে, কেতিয়াৰ পৰা বন্ধ কৰা হৈছে? বিতং জনাব।

(গ) উল্লেখিত পৰ্য্যায় সমূহত আৰবী বিষয়ৰ শিক্ষক নিযুক্তি শেষবাৰৰ বাবে কেতিয়া দিয়া হৈছিল?

(ঘ) উচ্চ প্ৰাথমিক বিদ্যালয় সমূহত INP ৰ অধীনত "Destiny Solution" ৰ জৰিয়তে ICT Instructor নিয়োগ কৰা সংক্ৰান্তত চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, তেওঁলোকক কেতিয়া নিযুক্তি দিয়া হৈছে, তেওঁলোকৰ বৰ্তমান মাহেকীয়া মাননি কিমান? তেওঁলোকক আপাতত ঠিকাভিত্তিক হ'লেও চৰকাৰৰ আওতালৈ আনিব নোৱাৰিনে? বিতং জনাব।

(চ) বিগত ১৯ বছৰ ধৰি সমগ্ৰ শিক্ষাৰ-ক্ষেত্ৰ পৰ্য্যায়ত অতি কম মাননিত নিয়োজিত জিলা মানৰক্ষক (DQM) সকলক সমগ্ৰ শিক্ষাৰ আন আন কৰ্মচাৰীৰ দৰে SR & FR ত অন্তৰ্ভুক্তি বা মাননি বৃদ্ধি সংক্ৰান্তত চৰকাৰ আৰু সমগ্ৰ শিক্ষাৰ বৰ্তমানৰ স্থিতি সম্পৰ্কে বিতং জনাব।

(ছ) সমগ্ৰ শিক্ষাত সুদীৰ্ঘকাল কাৰ্য্যনিৰ্বাহ কৰা অধিকাংশ কৰ্মচাৰীৰে চৰকাৰী চাকৰিৰ উৰ্দ্ধসীমা ইতিমধ্যে পাৰ হৈ গৈছে। এনে দীৰ্ঘকাল কৰ্মৰত (TET) উত্তীৰ্ণ আৰু প্ৰয়োজনীয় অৰ্হতা সম্পন্ন প্ৰাৰ্থীসকলক বিশেষভাৱে বিবেচনাৰ আওতাত আনি শিক্ষক পদত নিযুক্তি দিবলৈ চৰকাৰৰ হাতত কোনো

পৰিকল্পনা আছে নেকি?

*বিষয় ঃ* **উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন চিকদাৰ ঃ

* ২৭। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাকাবেটবাৰী সমষ্টিৰ অন্তৰ্গত কয়াকুছি অঞ্চলৰ ঢাৰি শিল্পৰ বিষয়ে বিভাগ অৱগত নে? যদি অৱগত, এই ঢাৰি শিল্পৰ উদ্যোগীকৰণ সম্পৰ্কে বিভাগে কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) বিভাগে কয়াকুছিত ঢাৰি উদ্যোগ নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে, কেতিয়ালৈ নিৰ্মাণ কৰিব? বিতং তথ্য দিব।

*বিষয় ঃ* **সংৰক্ষিত বনাঞ্চল সম্পৰ্কে।**

শ্ৰীতেৰছ গোৱালা ঃ

* ২৮। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান বন বিভাগৰ অধীনত কিমান সংৰক্ষিত বনাঞ্চল আছে? বনাঞ্চলসমূহ ক'ত ক'ত আৰু কিমান পৰিমাণৰ ভূমি আছে, জিলা ভিত্তিত বনাঞ্চলসমূহৰ নাম, ঠিকনা সহ সবিশেষ জনাব।

(খ) সংৰক্ষিত বনাঞ্চলসমূহত কি কি গছ-গছনি আছে, বনাঞ্চলৰ তালিকা দিব।

(গ) বনাঞ্চলসমূহত থকা জীৱ-জন্তু, চৰাই-চিৰিকতিৰ গণনা কৰা হৈছে নেকি? যদি হৈছে, জীৱ-জন্তু, চৰাই-চিৰিকতিৰ নাম দিব।

(ঘ) বনাঞ্চলৰ পৰা ওলাই আহি হাতী-বাঘ আদিকে ধৰি বিভিন্ন জীৱ-জন্তুৱে দাঁতি-কাষৰীয়া অঞ্চলৰ মানুহৰ খেতি-বাতি নষ্ট কৰিলে, ক্ষতিগ্ৰস্ত লোক সকলক বিভাগে কেনেদৰে ক্ষতিপূৰণ দিয়ে? সবিশেষ জনাব।

(ঙ) হাতী মানুহৰ সংঘাত প্ৰতিৰোধৰ বাবে বিভাগে কি কি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে? সবিশেষ জনাব।

(চ) সংৰক্ষিত বনাঞ্চলৰ ভূমি মানুহে অবৈধভাৱে দখল কৰিছে নেকি? যদি কৰিছে, দখলীকৃত ভূমিৰ সবিশেষ তথ্য দিব।

*বিষয় ঃ* **শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগ সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

* ২৯। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোটেই ৰাজ্যত বিদ্যালয় সমূহৰ মুঠ কিমানটা পৰিদৰ্শকৰ কাৰ্য্যালয় (Inspector of Schools) আৰু জিলা প্ৰাথমিক শিক্ষা কাৰ্য্যালয় (District Elementary Education Office) আছে? অসমৰ গোটেইবোৰ জিলাত পূৰ্ণ পৰ্য্যায়ৰ বিষয়া যেনে- বিদ্যালয় সমূহৰ পৰিদৰ্শক (IS), জিলা প্ৰাথমিক শিক্ষা বিষয়া (DEEO) আছেনে?

(খ) অসমৰ কোন কোন জিলাত স্থায়ী পূৰ্ণ পৰ্য্যায়ৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক (IS), জিলা প্ৰাথমিক শিক্ষা বিষয়া (DEEO) আছে? অসমৰ গোটেইবোৰ জিলাত পূৰ্ণ পৰ্য্যায়ৰ স্থায়ী বিষয়া নিযুক্তি বা মকৰল কৰিবলৈ চৰকাৰে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(গ) দৰং জিলাত বিদ্যালয় সমূহৰ

পৰিদৰ্শকৰ কাৰ্য্যালয় (Office of the Inspector of School) আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ত (District Elementary Education Office) পূৰ্ণ পৰ্য্যায়ৰ স্থায়ী বিষয়া থকাৰ উপৰিও এজন বিষয়াকে বিদ্যালয় সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা প্ৰাপ্তবয়স্ক শিক্ষা বিষয়াৰ দায়িত্ব দিয়াৰ উপৰিও আজিলৈকে প্ৰায় একৈশ (২১) খন বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ও অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে।

(ঘ) এই ক্ষেত্ৰত চৰকাৰে প্ৰতিটো বিদ্যালয়ত খালী হোৱা অধ্যক্ষ আৰু প্ৰধান শিক্ষকৰ পদ পূৰণ কৰিবলৈ কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*Subject :* **Provincilisation of School.**

Sri Sirajuddin Ajmal :

*30. Will the Minister of School Education Deptt. be pleased to state :

a) How many secondary and higher secondary schools have been provincial deptt. in the state during the tenure of this Government ? Please furnish the documents in details district wise.

b) The number of vacant posts of various teaching and non-teaching posts in secondary and higher secondary schools in the state, please furnish the documents in details district wise.

c) How many teaching and non-teaching posts are vacant in the science department of Doboka Higher Secondary Schools in Hojai district and for how long they have been vacant? Please furnish the documents in details.

d) Is it not failure of the Government that the post of science teacher has been vacant in a school for a long time ? If so, Please clarify what initial steps the Government will take in this regards.

*বিষয় ঃ* **School College চৰকাৰীকৰণ সম্পৰ্কে।**

শ্ৰীওৱাজেদ আলি চৌধুৰী ঃ

*৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান বাজেটত School আৰু College ৰ চৰকাৰী কৰণ কৰা সম্পৰ্কে কিবা সিদ্ধান্ত ল'ব নেকি?

(খ) যদি School আৰু College ৰ চৰকাৰী কৰণ কৰা হয়, কি ভিত্তিত চৰকাৰীকৰণ কৰা হ'ব?

(গ) ২০০৬ চনৰ আগত School আৰু College বোৰ কি কি নথি পত্ৰৰ ভিত্তিত চৰকাৰীকৰণ কৰা হ'ব?

*বিষয়ঃ* **Adarsha Vidyalaya**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

*৩২। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলঙত এতিয়ালৈকে সৰ্বমুঠ কিমানখন Adarsha Vidyalaya স্থাপন কৰা হৈছে? (প্ৰতিটো বিধান সভা সমষ্টি অনুযায়ী বিদ্যালয়সমূহৰ তালিকা দাখিল কৰিব)

(খ) এই বিদ্যালয়সমূহৰ আন্তঃগাঁথনি সকলো স্তৰতে সম্পূৰ্ণ হৈছে নে? উদাহৰণ স্বৰূপে- খেলপথাৰ, লাইব্ৰেৰী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথকে প্ৰস্ৰাৱগাৰ ইত্যাদি।

(গ) যদি আন্তঃগাঁথনি সমূহৰ সম্পূৰ্ণ উন্নীতকৰণ কৰা হোৱা নাই, তেতিয়াহ'লে কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

*Subject :* **Provincialisation of L.P., M.E. & H.E School.**

Sri Rabiram Narzary :

*33. Will the Minister of School Education Deptt. be pleased to state :

a) How many L.P., M.E. & H.E Schools have been provincialised till today under special consideration by implementing the clause 6.3 of the BTR Accord signed on 27th January of 2020 ?

b) Whether the Govt. has fulfilled their promises of the Accord to provincialise the school? Please give the list of Schools.

c) If it is not done yet, what is the reason ?

*Subject :* **School building and appointing Teachers.**

Sri Jolen Daimary :

*34. Will the Minister of School Education Deptt. be pleased to state :

a) Is the department aware of the poor condition of many schools in the Tamulpur constituency ? If yes, are there any steps taken to improve them ? If not, when will it be taken ?

b) Due to the retirement of many school teachers many posts of the teachers in the schools are lying vacant. Has the department taken any steps to fill up the vacant posts of teachers ? If not, when will it be taken?

*বিষয়ঃ* **জাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখালৈ ৰূপান্তৰ।**

শ্ৰীদিগন্ত বৰ্মন ঃ

* ৩৫। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাৰ ৩৮ নং বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত জাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিদ্যালয় শিক্ষা বিভাগে চিন্তা কৰিছে নেকি?

খ) ১৯৪৬ চনতে স্থাপিত জাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ

বাবে পুঁজিৰ ব্যৱস্থা গ্ৰহণ কৰিব নে? (RIDF)

গ) ঐতিহ্যমণ্ডিত জাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ক সাম্প্ৰতিক সময়ত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখালৈ উন্নীত কৰিবনে?

*বিষয়ঃ* **উচ্চ শিক্ষা**

শ্ৰীআচিফ মঃ নাজাৰ ঃ

* ৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লাহৰিঘাট শিক্ষাখণ্ডৰ অন্তৰ্গত বিভিন্ন চৰ-চাপৰি যেনে- ৰংৰাই চাপৰি চৰ, চিতলমাৰী গাঁও চৰ, লাথৰ চৰ, ২ নং কিচামকুৰি চৰ, জাতিয়াবৰি চৰ, বৰকুৰ চৰ, মেহেৰবিল চৰ, নলমাৰী চৰ, বুৰাগাঁও চৰ অঞ্চলৰ কণ কণ ল'ৰা ছোৱালীৰ বাবে প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় নোহোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, উক্ত চৰ অঞ্চলৰ শিশু সকলক মাধ্যমিক ও উচ্চ শিক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

খ) যোৱা ২০২৪-২৫ বৰ্ষত চৰকাৰী বিদ্যালয় সমূহত বিনামূলীয়াকৈ মূল্যায়ণ বহী যোগান দিয়া হৈছেনে জনাব। যদি দিয়া হোৱা নাই ইয়াৰ কাৰণ জনাব।

গ) বহুদিন ধৰি মধ্য ইংৰাজী বিদ্যালয় সমূহত প্ৰধান শিক্ষকৰ পদোন্নতি বন্ধ হৈ থকাৰ ফলত বহু শিক্ষকে পদোন্নতি নোহোৱাকৈয়ে অৱসৰ লয়। এই প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ হ'ব? বৰ্তমান বিভাগৰ অধীনৰ কিমান বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষকৰ পদ খালী হৈ আছে?

*বিষয়ঃ* **ছয় জনগোষ্ঠীক জনজাতিকৰণ সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

* ৩৭। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ছয় জনগোষ্ঠী- আহোম, মৰাণ, মটক, চুতীয়া, কোঁচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণ বিষয়টো বৰ্তমান কি অৱস্থাত আছে আৰু এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিলে?

(খ) ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত ৰাজ্য চৰকাৰে গঠন কৰা উপ সমিতিয়ে প্ৰস্তুত কৰা প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ল নে?

(গ) ছয় জনগোষ্ঠীৰ জন-জাতিকৰণ সম্পৰ্কত ৰাজ্য চৰকাৰৰ কৰিবলগীয়া সকলোখিনি কাম সম্পূৰ্ণ কৰা হ'ল নে?

(ঘ) কলিতা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো বৰ্তমান কি পৰ্য্যায়ত আছে?

*বিষয়ঃ* **স্বাক্ষৰতা অভিযান**

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

* ৩৮। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ সাহায্যপ্ৰাপ্ত (New Indian Literacy Programme) ৰ অধীনত আমাৰ ৰাজ্যত কোন চনৰ পৰা কাম আৰম্ভ কৰা হৈছিল জনাব।

(খ) NILP আঁচনি খন কি পদ্ধতিৰে জিলা বোৰত ৰূপায়ণ কৰা হৈছে আৰু কিমান

অগ্ৰগতি লাভ কৰিব পাৰিছে বিতংকৈ জনাব।

(গ) এই আঁচনিখন ৰূপায়ণৰ বাবে আমাৰ ৰাজ্যত কিমান পুঁজি বৰ্তমানলৈ আৱণ্টন দিয়া হৈছে বিতংকৈ জনাব।

(ঘ) ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ লৈ ৰাজ্যখনত কিমান নিৰক্ষৰ ব্যক্তিক স্বাক্ষৰ কৰা হ'ল জনাব।

*বিষয় ঃ* **জনজাতি এলেকাৰ আন্তঃগাঁথনি উন্নয়ন।**

ড° অমিয় কুমাৰ ভূঞা ঃ

* ৩৯। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভৈয়াম জনজাতি ৰাইজৰ আৰ্থ-সামাজিক আৰু আন্তঃগাঁথনি উন্নয়নৰ সন্দৰ্ভত ২০২৪-২৫ বৰ্ষত বাজেটত কিমান পৰিমাণৰ ধন আৱণ্টিত কৰা হৈছিল? এই ধনসমূহ কি কি আঁচনিৰ যোগেদি কিমান পৰিমাণৰ ধন ব্যয় কৰি ৰূপায়ণ কৰি থকা হৈছে? (তথ্যসহ সদনত জনাব)

(খ) বিহপুৰীয়া সমষ্টিত ২০২৪-২৫ বৰ্ষত কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে? (সদনত জনাব)

(গ) জনজাতি পৰিক্ৰমা (ভৈয়াম) অধীনত আন্তঃগাঁথনিমূলক আঁচনি ক'ত কি ধৰণে ৰূপায়ণ কৰা হৈছে? (সদনত জনাব)

*বিষয় ঃ* **অসমৰ বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু উপযুক্ত পৰিমাণৰ শিক্ষক নিযুক্তি।**

শ্ৰীঅখিল গগৈ ঃ

* ৪০। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪-২৫ বৰ্ষত অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ তলৰ তথ্যসমূহ সদনত উল্লেখ কৰিব ঃ

১) শিক্ষকবিহীন বিদ্যালয়ৰ মুঠ সংখ্যা।

২) এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ মুঠ সংখ্যা।

৩) ৫ শ্ৰেণীযুক্ত বিদ্যালয়ত ৫ জনীয়া শিক্ষকৰ (প্ৰধান শিক্ষকক বাদ দি) প্ৰাথমিক বিদ্যালয়ৰ মুঠ সংখ্যা।

৪) ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত ৬ জনীয়া শিক্ষকৰ (প্ৰধান শিক্ষকক বাদ দি) প্ৰাথমিক বিদ্যালয়ৰ মুঠ সংখ্যা।

৫) শ্ৰেণী অনুসৰি পৃথক পৃথক কোঠা থকা আৰু পৃথক কোঠা নথকা বিদ্যালয়ৰ সংখ্যা।

৬) স্থায়ী প্ৰধান শিক্ষক নোহোৱা বিদ্যালয়ৰ সংখ্যা।

খ) অসমৰ কিমান উচ্চ প্ৰাথমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু আদৰ্শ বিদ্যালয়ত বিজ্ঞান শিক্ষক, অংক শিক্ষক, ইংৰাজী শিক্ষক, হিন্দী শিক্ষক আদিত বিষয় শিক্ষক নিযুক্তি নিদিয়াকৈ খালী হৈ আছে?

A.G.P. (Mini) LAQ - 09/2025-550-17-02-2025